**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-11-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যজুৰি আজি জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন পালন কৰা হয়। প্ৰিয় শিল্পীগৰাকীৰ অবৰ্তমানত আজি অগণন অনুৰাগীয়ে তেওঁৰ ওপজা দিনটো পালন কৰি শিল্পীগৰাকীৰ অস্তিত্বক মূৰ্ত কৰি তোলে। সোণাপুৰৰ কমাৰকুছিৰ জুবিন ক্ষেত্ৰত পুৱা ৰক্তদান শিবিৰ, নাম-প্ৰসংগ, নাহৰ পুলি ৰোপণ আৰু বিয়লি ৫ হাজাৰ গচি বন্তি প্ৰজ্বলন কৰা হয়। জুবিন ক্ষেত্ৰত ৫০০ আকাশবন্তিও প্ৰজ্বলন কৰা হয়। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান, ভাওনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

জন্ম দিনৰ লগত সংগতি ৰাখি জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহৰ চৌহদত শিল্পীগৰাকীৰ এটা আৰক্ষমূৰ্তি উন্মোচন কৰা হয়। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গ, শিল্পীগৰাকীৰ পিতৃ মোহিনী মোহন বৰঠাকুৰৰ লগতে বিভিন্ন দল-সংগঠন তথা স্থানীয় জনসাধাৰণ এই কাৰ্যসূচীত উপস্থিত থাকে।

তথ্য প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই আজি বিয়লি কলিয়াবৰৰ হাতীমুৰাত জুবিন গাৰ্গৰ এটা পূৰ্ণাংগ প্ৰতিমুৰ্তি উন্মোচন কৰে।

বিটিচি মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে কোকৰাঝাৰ জিলাৰ গৌৰাং নৈৰ পাৰৰ চান্দামাৰীত ৩০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ লগতে গৌৰাং নৈৰ পাৰত বিটিচিৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰে। ইযাৰ জৰিয়তে কোকৰাঝাৰে এচিয়া বুক অৱ ৰেকৰ্ডছত অন্তৰ্ভুক্ত হ'বলৈ সমৰ্থ হৈছে।

**গীত**

কাইলৈ গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত ৰাজ্যখনৰ ২০০ৰো অধিক শিল্পী আৰু কলা-কুশলীয়ে জুবিন গাৰ্গৰ কুৰিৰো অধিক গীত পৰিবেশন কৰিব। এই অনুষ্ঠানৰ আজি আখৰা সম্পূৰ্ণ হয়।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অহা ১০ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ওপজা দিন উপলক্ষে গুৱাহাটীৰ খানাপাৰাত আয়োজিত এটা অনুষ্ঠানত প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইকথা সদৰি কৰে। তেওঁ কয় যে ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত মৃত্যুৰ পিছতে ৰাজ্য চৰকাৰে

কিংবদন্তি শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী গোট গঠন কৰে। তেওঁ লগতে শিল্পীগৰাকীৰ মৃত্যুৰ সৈতে জড়িত অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ নম্বৰ ধাৰাৰ অধীনত আগবাঢ়িবলৈ প্ৰয়োজনীয় অনুমোদন প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জ্ঞাপন কৰে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ নম্বৰ ধাৰা মতে, ভাৰতৰ বাহিৰত কোনো অপৰাধ সংঘটিত হ'লে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন সাপেক্ষেহে আদালতে গ্ৰহণ কৰিব পাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে জুবিন গাৰ্গৰ জন্মদিনত এই অনুমোদন গুৰুত্বপূৰ্ণ আইনী পদক্ষেপৰূপে পৰিগণিত হৈছে আৰু ই তদন্তকাৰী গোটক অভিযোগনামা দাখিল কৰা তথা বিচাৰৰ বাবে দৃঢ়তাৰে আগবাঢ়ি যোৱাত সহায় কৰিব।

০০০০

অসম কৰ্কট ৰোগ পৰিচৰ্যা ফাউণ্ডেছনৰ গঠন আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত কৰ্কট ৰোগ পৰিচৰ্যা কেন্দ্ৰ স্থাপনৰ দৰে চৰকাৰী উদ্যমৰ জৰিয়তে ৰাজ্যখনে বিগত কেইটামান বছৰত এই ৰোগত পৰিচৰ্যাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে বুলি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। গুৱাহাটীৰ ডং বি বৰুৱা কৰ্কট ৰোগ প্ৰতিষ্ঠানৰ ৫২ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ গ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আধুনিক কৰ্কট ৰোগ চিকিৎসালয় স্থাপন কৰি ৰাজ্য চৰকাৰে ৰোগ বিধৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিচয় দিছে। স্বাস্থ্য সেৱা আন্তঃগাথনি সুদৃঢ়কৰণ, চিকিৎসা আহিলা পাতিৰ আধুনিকীকৰণ, দক্ষ বিশেষজ্ঞৰ নিযুক্তি, পৰীক্ষণ কাৰ্যসূচীৰ জৰিয়তে প্ৰাৰম্ভিক অৱস্থাতে ৰোগ চিনাক্তকৰণৰ ব্যৱস্থা আৰু সজাগতা কাৰ্যসূচীৰ মাধ্যমেৰে ৰাজ্য চৰকাৰে আগবঢ়োৱা নিৰন্তৰ সহযোগিতাৰ তেওঁ শলাগ লয়। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, টাটা ন্যাস আৰু ডং বি বৰুৱা কৰ্কট ৰোগ প্ৰতিষ্ঠানৰ চিকিৎসক সমাজে উত্তৰ পূৰ্বাঞ্চলত কৰ্কট ৰোগ চিকিৎসাৰ সৱল ভেটি গঢ়ি তুলিছে। তেওঁ লগতে অনাগত সময়ত প্ৰতিষ্ঠানখনে আনবিক জীৱ বিজ্ঞান, ৰোগ প্ৰতিৰোধ চিকিৎসা আৰু নিৰ্ভুল চিকিৎসাৰ দৰে ক্ষেত্ৰসমূহৰ অগ্ৰণী কেন্দ্ৰৰূপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০

দুৰ্নীতি নিবাৰক শাখাই আজি উৎকোচ লোৱাৰ অভিযোগত কাচাৰ জিলাৰ উধাৰবন্দ উন্নয়ন খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মাধৱ সাহাক গ্ৰেপ্তাৰ কৰে। নিবাৰণী শাখাই আজি কাৰ্যালয়ত ৭ হাজাৰ টকা উৎকোচ লোৱাৰ সময়ত হাতে লোটে ধৰা পেলায়।

০০০০

শিৱসাগৰ জিলা সমাজ কল্যান বিভাগৰ উদ্যোগত আজি শিৱসাগৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত ৰাষ্ট্ৰীয় সমাজ সেৱা কোষ আৰু জিলা প্ৰশাসনৰ সহযোগত নিচামুক্ত ভাৰত অভিযানৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে মাদক দ্ৰব্য ব্যৱহাৰৰ অপকাৰিতা সন্দৰ্ভত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে শপত বাক্য পাঠ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। সভাখনত জিলা সমাজ কল্যান বিষয়া উপমা শইকীয়াই সভাপতিত্ব কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**